**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

*::::::::::::::::::::::::::::::::::::::::::::*

১। গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰ কাৰ্যকৰী হোৱা তিনিখন অপৰাধ আইনে ন্যায়িক ব্যৱস্থা দ্ৰুত, সৰল আৰু অধিক সুলভ কৰি তোলা বুলি মন্তব্য কৰিছে।

২। ৰে'লৰে সুৰক্ষা বাহিনী আৰ পি এফত এতিয়াৰে পৰা প্ৰতি বছৰে কৰ্মচাৰী চয়ন আয়োগে নিযুক্তি পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে।

৩। মঙ্গোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্না আজি ৪ দিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে।

৪। আমেৰিকাৰ নৰ্থ ৱেষ্টাৰ্ণ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুৱেল মকয়েৰ, কলেজ দ্য ফ্ৰান্স আৰু লণ্ডন স্কুল অব ইকোনমিকছৰ অধ্যাপক ফিলিপ এঘিয়ন আৰু আমেৰিকাৰ ব্ৰাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক পিটাৰ হয়িটলৈ এই বছৰৰ অৰ্থনীতিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ***আৰু***

৫। দিল্লী টেষ্টত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে জয়ৰ বাবে প্ৰয়োজনীয় ১২১ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আজি চতুৰ্থ দিনৰ খেলৰ অন্তত এটা উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ কৰিছে।

ooooo

গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে যোৱা বছৰ কাৰ্যকৰী হোৱা তিনিখন অপৰাধ আইনে ন্যায়িক ব্যৱস্থা দ্ৰুত, সৰল আৰু অধিক সুলভ কৰি তুলিছে। তেওঁ এই আইন সমূহ ন্যায়ৰ সহজতা নিশ্চিত কৰাৰ দিশত এই বৃহৎ পদক্ষেপ বুলি কয়। শ্ৰীশ্বাহে আজি জয়পুৰত নতুন অপৰাধ আইন কাৰ্যকৰীকৰণৰ এবছৰ পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যিক পৰ্যায়ৰ এখন প্ৰদৰ্শনী উদ্বোধন কৰাৰ পাছত অনুষ্ঠিত এখন সভাত ভাষণ দি এইদৰে কয়। তেওঁ কয় যে বিস্তৃত আলোচনা আৰু কেইবাশ লোকৰ পৰামৰ্শৰ অন্তত এই আইন প্ৰনয়ন কৰা হৈছে। এই আইনৰ মূল বৈশিষ্ট্যসমূহৰ ওপৰত আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে এই আইনৰ অধীনত মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

তেওঁ লগতে কয় যে নতুন আইনসমূহে ভুক্তভোগীৰ বাবে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ন্যায় নিশ্চিত কৰে আৰু তেওঁ ইয়াৰ কাৰ্যকৰীকৰণক একবিংশ শতিকাৰ অন্যতম উল্লেখযোগ্য ন্যায়িক সংস্কাৰ হিচাপে অভিহিত কৰে।

শ্ৰীশ্বাহে নাগৰিকসকলক দৈনন্দিন জীৱনত স্বদেশত নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে কেৱল ভাৰতত নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিলে ঘৰুৱা উৎপাদন বৃদ্ধি পাব, যিয়ে ২০৪৭ চনলৈ ভাৰতবৰ্ষ বিকশিত দেশত পৰিণত হোৱাৰ প্ৰতিশ্ৰুতি পূৰণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব।

এই অনুষ্ঠানৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৯ হাজাৰ ৩০০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্পৰ শুভাৰম্ভ কৰে। শ্ৰীশ্বাহে ছাত্ৰ-ছাত্ৰীসকলৰ পোছাকৰ বাবদ ২৬০ কোটি টকা আৰু দুগ্ধ উৎপাদকসকলক গাখীৰৰ ৰাজসাহায্য

হিচাপে ৩৬৬ কোটি টকাও হস্তান্তৰ কৰে। অনুষ্ঠানত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল আৰু ৰাজস্থান উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ সঞ্জীৱ প্ৰকাশ শৰ্মাইও ভাষণ দিয়ে।

ooooo

ৰে'লৰে সুৰক্ষা বাহিনী আৰ পি এফত এতিয়াৰে পৰা প্ৰতি বছৰে কৰ্মচাৰী চয়ন আয়োগে নিযুক্তি পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে ৰে'লৰে সুৰক্ষা বাহিনীক আধুনিক প্ৰযুক্তিৰে উন্নত কৰাৰ বাবে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ বিষয়ে সদৰি কৰে। গুজৰাটত আজি আৰ পি এফৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে শীঘ্ৰেই আৰ পি এফৰ জোৱানসকলক উন্নত প্ৰযুক্তিৰ ভি এইচ এফ ছেট প্ৰদানৰ লগতে উন্নত ডিজিটেল প্ৰযুক্তি আৰু ড্ৰোণ চালনাৰ প্ৰশিক্ষণ দিয়া হ'ব। যোৱা ১১ বছৰত ভাৰতীয় ৰে'লৰেৰ ৰূপান্তৰ আৰু প্ৰগতিৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে ৩৫ হাজাৰ কিলোমিটাৰ নতুন ৰে'লপথ নিৰ্মাণ কৰাৰ উপৰি ৯৯ শতাংশ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে। তদুপৰি চৰকাৰে ৰে'ল ষ্টেচনৰ পুনৰ উন্নতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা দ্ৰুত গতিত কাৰ্যকৰী হৈছে আৰু ৭ হাজাৰ ৩০০ টা ষ্টেচনৰ উন্নীতকৰণৰ পৰিকল্পনা লোৱা হৈছে। ইয়াৰে ১১০ টাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি শ্ৰী বৈষ্ণৱে জানিবলৈ দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে আজি মুম্বাই - আহমেদাবাদ বুলেট ট্ৰেইন প্ৰকল্পৰ অন্যতম মুখ্য অংশ নিৰ্মীয়মান বিলিম'ৰা বুলেট ট্ৰেইন ষ্টেছন পৰিদৰ্শন কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত লাডাখৰ এদল মহিলা আৰু বয়োজ্যেষ্ঠক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় সংহতি ভ্ৰমণৰ অংশ হিচাপে এই দলটোৱে ৰাষ্ট্ৰপতি ভৱন পৰিদৰ্শন কৰে।

ooooo

মঙ্গোলীয়াৰ ৰাষ্ট্ৰপতি খুৰেলসুখ উখ্না আজি ৪ দিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন ৰাজ্যমন্ত্ৰী মুৰলীধৰ মোহলে তেখেতক বিমান বন্দৰত আদৰণি জনায়। মঙ্গোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ লগত দেশখনৰ কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ বিষয়া, বিশিষ্ট উদ্যোগী আৰু সাংস্কৃতিক প্ৰতিনিধিৰে গঠিত এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল আহিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি খুৰেলসুখৰ ৰাষ্ট্ৰপতি হিচাপে এয়া প্ৰথমটো ভাৰত ভ্ৰমণ। ৪ দিনীয়া ভ্ৰমণকালত মঙ্গোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে কাইলৈ বৈঠকত মিলিত হৈ দুয়োখন দেশৰ দ্বিপাক্ষিক সম্বন্ধ সম্পৰ্কে পৰ্যালোচনা কৰিব।

মঙ্গোলীয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু মঙ্গোলীয়াৰ মাজত থকা কৌশলগত অংশীদাৰিত্বক অধিক শক্তিশালী কৰি তোলা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু বিশ্ব পৰ্যায়ৰ বিষয়সমূহৰ সম্পৰ্কে মত বিনিময় কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে আজি কয় যে প্ৰধানমন্ত্ৰী গতিশক্তিয়ে বৃহৎ পৰিকল্পনা আৰু সুক্ষ্ম ৰূপায়ণৰ মাজত সেঁতু হিচাপে কাম কৰিছে। প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাৰ ৪ বছৰ পূৰ্ণ হোৱা উপলক্ষে

নতুন দিল্লীত অনুষ্ঠিত কাৰ্যসূচীত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপে চৰকাৰ আৰু শাসন ব্যৱস্থাৰ প্ৰতিটো খণ্ড অতিক্ৰম কৰিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী গতিশক্তিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংহত পৰিকল্পনা আৰু অঞ্চলভিত্তিক উন্নয়নৰ দৃষ্টিভংগীক মূৰ্ত কৰি তুলিছে।

এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী গতিশক্তিৰ অধীনত প্ৰধানমন্ত্ৰী গতিশক্তি ৰাজহুৱা মঞ্চ, এন এম পি ডেচবোৰ্ড আৰু লিপ্‌চ ২০২৫ কে ধৰি অন্যান্য পদক্ষেপসমূহো মুকলি কৰে।

অনুষ্ঠানত ভাষণ দি বাণিজ্য আৰু উদ্যোগ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে কয় যে প্ৰধানমন্ত্ৰীৰ গতিশক্তিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংহত আৰু প্ৰযুক্তি সক্ষম শাসন ব্যৱস্থাৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে।

উল্লেখযোগ্য যে ৪ বছৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনৰ ১৩ অক্টোবৰত ভিন্ন অৰ্থনৈতিক মণ্ডলত বহুমুখী আন্তঃগাঁথনিমূলক সংযোগ গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী গতিশক্তি পৰিকল্পনা মুকলি কৰিছিল। এই পদক্ষেপৰ অধীনত পৰিবহণৰ বিভিন্ন মাধ্যমৰ জৰিয়তে দেশৰ সকলো প্ৰান্তৰ জনসাধাৰণক সুচল আৰু কাৰ্যকৰী সংযোগ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ফলত প্ৰান্তীয় অঞ্চলত বাস কৰা লোকসকলৰ পৰিবহণৰ সময় হ্ৰাস পোৱাৰ লগতে সেই অঞ্চলসমূহৰ জনসাধাৰণৰ সৈতে যোগাযোগ সুচল হৈ উঠিছে। প্ৰধানমন্ত্ৰীৰ গতিশক্তি অভিযানে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগক সমন্বিত কৰি আন্তঃগাঁথনি উন্নয়ন ব্যৱস্থা সংহত কৰি তুলিছে। ইয়াৰ ফলত প্ৰকল্পসমূহ ৰূপায়ণত সুবিধা হৈছে। প্ৰধানমন্ত্ৰী গতিশক্তিয়ে ৫৭ টা মন্ত্ৰালয়ৰ উপৰি ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত একেখন ডিজিটেল মঞ্চত উপনীত কৰাইছে। ০০০০

০০০০০

আমেৰিকাৰ নৰ্থ ৱেষ্টাৰ্ণ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুৱেল মকয়েৰ, কলেজ দ্য ফ্ৰান্স আৰু লণ্ডন স্কুল অব ইকোনমিকছৰ অধ্যাপক ফিলিপ এঘিয়ন আৰু আমেৰিকাৰ ব্ৰাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক পিটাৰ হয়িটলৈ এই বছৰৰ অৰ্থনীতিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ৰয়েল ছুইডিচ একাডেমীয়ে আজি ষ্টকহ'মত প্ৰকাশ কৰা অনুসৰি উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনেৰে কিদৰে অৰ্থনীতিৰ বিকাশ সম্ভৱ সেই বিষয়ে লাভ কৰা সফলতাৰ বাবে এই তিনিগৰাকী অধ্যাপকক এইবাৰৰ অৰ্থনীতিৰ নবেল পুৰস্কাৰৰ বাবে বাছনি কৰা হৈছে। এই পুৰস্কাৰৰ বাবদ এই অৰ্থনীতিবিদ কেইগৰাকীয়ে ১১ নিযুত ছুইডিচ ক্ৰ'নাৰ বা ১ দশমিক ২ নিযুত মাৰ্কিন ডলাৰ মূল্যৰ পুৰস্কাৰৰ ধন লাভ কৰিব। নবেল কমিটীয়ে প্ৰকাশ কৰা অনুসৰি অধ্যাপক জুৱেল মকয়েৰে প্ৰযুক্তিগত উন্নতিৰ মাজেৰে বহনক্ষম বিকাশৰ আৱশ্যকতা সম্পৰ্কত যি অভিনৱ সূত্ৰ আগবঢ়াইছে তাৰ বাবেই তেওঁক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। আনহাতে, ফিলিপ এঘিয়ন আৰু পিটাৰ হয়িতে উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনেৰে অৰ্থনৈতিক বৃদ্ধি লাভৰ ক্ষেত্ৰত আগবঢ়োৱা তত্বৰ স্বীকৃতিস্বৰূপে তেওঁলোক দুগৰাকীকো নবেল পুৰস্কাৰৰ বাবে বাছনি কৰা হৈছে। উল্লেখযোগ্য যে অৰ্থনীতিৰ নবেল বঁটাই হৈছে যিকোনো এটা বছৰৰ অন্তিমটো নবেল বঁটা। ০

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰালয়ে আজি কাৰ্ডিঅ' পালমনেৰী ৰিচাচিটেশ্বন চমুকৈ চিপিআৰ সজাগতা সপ্তাহ মুকলি কৰিছে। অহা ১৭ অক্টোবৰত এই সজাগতা সপ্তাহৰ সামৰণি পৰিব। চিপিআৰ সজাগতা সপ্তাহ মুকলি কৰি কেন্দ্ৰীয় স্বাস্থ্য সচিব পূন্যসলিলা শ্ৰীবাস্তৱে জনসাধাৰণৰ মাজত চিপিআৰ প্ৰয়োগ সামৰ্থ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চিপিআৰ সজাগতা সপ্তাহ সম্পৰ্কে চৰকাৰৰ দূৰদৰ্শী চিন্তাৰ বিষয়ে উল্লেখ কৰি স্বাস্থ্য

সচিবগৰাকীয়ে কয় যে এই সজাগতা বৃদ্ধিৰ জৰিয়তে প্ৰতিখন ঘৰ, বিদ্যালয়, কাৰ্যালয় আৰু ৰাজহুৱা স্থানত অন্ততঃ এজনকৈ ব্যক্তিয়ে এই জীৱন ৰক্ষাকাৰী পদ্ধতিটোত প্ৰশিক্ষিত হোৱাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হ'ব। ০০০০

০০০০০

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত জয়ৰ বাবে প্ৰয়োজনীয় ১২১ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আজি চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ পৰলৈকে এটা উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ কৰিছে। চতুৰ্থ দিনৰ খেলৰ অন্তত কে এল ৰাহুল ২৫ আৰু সাই সুদৰ্শন ৩০ ৰানত অপৰাজিত হৈ আছিল। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিজৰ দ্বিতীয় ইনিংছ ৩৯০ ৰানত সামৰে। দলটোৰ হৈ জন কেম্পৰেলে ১১৫, সাই হোপে ১০৩ আৰু জাষ্টিন গ্ৰীভছে ৫০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ য়াদৱ আৰু যশপ্ৰীত বুমৰাই ৩ টাকৈ আৰু মহম্মদ চিৰাজে দু টা উইকেট দখল কৰে। কাইলৈ খেলৰ পঞ্চম তথা অন্তিম দিনা ভাৰতক জয়ৰ বাবে আৰু ৫৮ ৰানৰ প্ৰয়োজন।

০০০০০

ঃঃ সমাপ্ত ঃঃ